

৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰৰ টুপ অংশত থকা মূল দুৱাৰখনত সিংহ কাটি দিলে সেয়া সেই দুৱাৰখনক সিংহদুৱাৰ বোলা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য নামঘৰসমূহত সময়-সুবিধা বুজি দুই বা তিনি প্রসংগহে কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য নামঘৰসমূহত ভালদৰে বাটচ'ৰা সাজিব নোৱাৰিলে সৰুকৈ এখন চালি নির্মাণ কৰি দিয়া হয় আৰু ইয়াক ঢেঁকেৰী-চালি বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আসনৰ একেবাৰে শীর্ষত থাকা অংশটোকে 'আমহি ঘৰ' বোলে। দৌলাকাৰ এই আমহি ঘৰ বিষ্ণুৰ বৈকুণ্ঠাৱাসৰ প্রতীক আৰু ইয়াতে বৈষ্ণৱ চাৰিপুথিৰ যি কোনো এখন অথবা *গুণমালা*খন থোৱা হয়। ইয়াৰ দুৱাৰত দ্বাৰৰক্ষক জয়-বিজয়ৰ ছবি আঁকা হয়। আমহি ঘৰত থোৱা পুথিখন কাপোৰেৰে ঢাকি থোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ পাঠকে নামৰ অন্তত ধর্ম পুথিসমূহ সুৰ লগাই পাঠ কৰাৰ লগতে ঘোষা, পদসমূহ প্রয়োজনসাপেক্ষে ব্যাখ্যা কৰি যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱে 'ৰঙ্গাৱন গৃহ' প্রতিষ্ঠা কৰি *ভাগৱত* থাপন কৰি দিনত 'ভোজন বেহাৰ' আৰু ৰাতি 'দধি-মথন' নাট মঞ্চস্থ কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে।

৭ নং প্রশ্নৰ উত্তৰ ঃ গায়ন-বায়ন গোৱা, সূত্রধাৰ গোৱা, অংকীয়া, গীত গোৱা, বিভিন্ন টোটয়, চপয়, পয়াৰ, ঘোষা, কীর্তন, ঝুমুৰি গোৱা, কৃষ্ণ আৰু অন্যান্য ভাৱৰীয়াৰ ভাও দিয়া, খোল, তাল আদিৰ শিক্ষা লাভ কৰি আহিছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰক।

৯ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰত সম্পাদন হোৱা ৰাইজৰ বিচাৰ মানি নোলোৱাজনক ৰাইজে এঘৰীয়া কৰি ৰাখিব পাৰে। এঘৰীয়া মানুহ ঘৰে ৰাইজৰ বিচাৰ মানি নোলোৱা পর্যন্ত ৰাজহুৱা কোনো উৎসৱতে অংশ ল'ব নোৱাৰে আৰু গাঁৱৰ মানুহেও এঘৰীয়া মানুহ ঘৰে আয়োজন কৰা উৎসৱাদিত যোৱাটো নিষেধ।



৫.৭ আহি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) শংকৰদেৱে প্ৰথমটো হৰিগৃহ ক'ত স্থাপন কৰিছিল?

খ) নামঘৰৰ নামঘৰীয়াৰ কাম কি?

গ) গ্ৰাম্য নামঘৰৰ বিষয়ববীয়া কেইজন কোন কোন?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নামঘৰক কিয় গ্ৰাম্য আদালত আৰু গ্ৰাম্য সংসদ বুলি কোৱা হয়? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক— (ক) সত্ৰৰ নামঘৰ (খ) নামঘৰৰ স্থাপত্য

(গ) থাপনা বা আসন (ঘ) মঞ্চ আৰু প্ৰেক্ষাগৃহ হিচাপে নামঘৰ

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নামঘৰৰ উদ্ভৱ আৰু ইয়াৰ গঠনশৈলী সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ নামঘৰৰ বিভিন্ন বিষয়ববীয়া আৰু কাৰ্য-প্ৰণালীৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'নামঘৰৰ অসমীয়া জাতীয় জীৱনৰ ধৰ্মীয় চৰ্চা আৰু শিল্প-চৰ্চাৰ প্ৰাণকেন্দ্ৰ'—ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া জাতীয় জীৱনত নামঘৰৰ ভূমিকা কেনেধৰণৰ বহুলাই আলোচনা কৰক।

*** ***** ***